Downloaded From : http://cbseportal.com/

This question paper consists of 27 questions and 4 printed pages.
এই প্ৰশ্নকাকতত 27খন প্ৰশ্ন আৰু 4 ছপা পৃষ্ঠা আছে।

Roll No. / ৰোল নং | | | | | | | | | | | | |

**Code No.** / কোড নং **59/S/O/A**

ছেট **A**

# ASSAMESE

## ( অসমীয়া )

## (228)

Day and Date of Examination (পৰীক্ষাৰ দিন আৰু তাৰিখ) ....................

Signature of Invigilators (তত্ত্বাৱধানকাৰীসকলৰ স্বাক্ষৰ)

1. ....................

2. ....................

---

*সাধাৰণ নিৰ্দেশাৱলী ঃ*

1. প্ৰশ্নকাকতৰ প্ৰথম পৃষ্ঠাত পৰীক্ষাৰ্থীয়ে নিজৰ ৰোল নং সঠিককৈ লিখিব।

2. পৰীক্ষাৰ্থীয়ে প্ৰশ্নকাকতৰ প্ৰথম পৃষ্ঠাৰ শীৰ্ষত উল্লেখ কৰা মতে প্ৰশ্ন বহীখনত মুঠ প্ৰশ্নৰ সংখ্যা ক্ৰমানুসাৰে আছে নে নাই আৰু পৃষ্ঠাৰ সংখ্যা ঠিক মতে আছে নে নাই নিশ্চিত হৈ ল'ব লাগিব।

3. সকলোবোৰ প্ৰশ্নৰ উত্তৰ নিৰ্দিষ্ট সময়ৰ ভিতৰত কৰিব লাগিব।

4. নিৰ্দিষ্ট স্থানৰ বাহিৰে প্ৰশ্ন-উত্তৰ বহীৰ অন্য কোনো স্থানত ৰোল নং বা পৰীক্ষাৰ্থীৰ চিনাক্তকৰণৰ যি কোনো তথ্য লিখিলে পৰীক্ষাৰ্থীৰ পৰীক্ষা বাতিল হ'ব।

5. উত্তৰ বহীত প্ৰশ্নকাকতৰ সাংকেতিক সংখ্যা 59/S/O/A, ছেট **A** উল্লেখ কৰিব।



Downloaded From : http://cbseportal.com/ Courtesy : NIOS

Downloaded From : http://cbseportal.com/

# ASSAMESE

## (অসমীয়া)

## (228)

সময় ঃ 3 ঘণ্টা ] [ পূৰ্ণমান ঃ 100

**নিৰ্দেশ ঃ** ***সকলো*** প্ৰশ্নৰ উত্তৰ কৰা বাঞ্ছনীয়। প্ৰতিটো প্ৰশ্নৰ কাষত নম্বৰ দিয়া আছে।

**1.** 'জনমভূমি' নামৰ কবিতাটিৰ কবি কোন? 1

**2.** আবেলি আহিলে জগতৰ জেউতি কোনে কমায়? 1

**3.** গড়গাঁওৰ ৰাজসভা চালে কি হাতত পাব বুলি কোৱা হৈছে? 1

**4.** 'বিফলে বয়স সব গেলৰে' ইয়াত কবিয়ে 'বয়স' শব্দেৰে কি বুজাবলৈ বিচাৰিছে? 1

**5.** তুলাৰাম সেনাপতি কোন বংশৰ লোক? 1

**6.** টিংখং বজোৱা শুনি কোনে সাৱধান বাণী শুনাইছিল? 1

**7.** বন্যপ্ৰাণী সংৰক্ষণৰ বাবে ভাৰত চৰকাৰে ১৯৫৮ চনত গঠন কৰা সংস্থাটোৰ নাম কি? 1

**8.** ধৰ্মকান্তৰ ডাঙৰ ছোৱালীজনীৰ নাম কি? 1

**9.** মাদাৰ টেৰেছাক মৰমতে সকলোৱে কি বুলি মাতিছিল? 1

**10.** কোনটো মাহক মগনীয়াৰ মাহ বোলা হয়? 1

**11.** লোভ, মোহক কবিয়ে কিহৰ লগত আৰু কিয় তুলনা কৰিছে? 2



Downloaded From : http://cbseportal.com/ Courtesy : NIOS

Downloaded From : http://cbseportal.com/

**12.** প্ৰকৃতিৰ প্ৰধান উপাদান কেইটা আৰু কি কি? 2

**13.** ‘‘তুমিয়েহে মোৰ একমাত্ৰ বিপদৰ বন্ধু’’—এইষাৰ কাৰ উক্তি? ‘বিপদৰ বন্ধু’ বুলি কাক কৈছে? 2

**14.** দেশৰ প্ৰতিটো পুৰা আৰু সন্ধিয়াই কবিলৈ কি বোৱাই আনে? 3

**15.** ‘ওজাপালি’ শব্দটোত কেনেদৰে ইয়াৰ অৰ্থ আৰু তাৎপৰ্য নিহিত হৈ আছে, বুজাই লিখা। 3

**16.** ‘‘সংসাৰৰ শেষ সম্বল একোটি ৰতন, সিও তোমাৰ ভাগ্যত নাই’’—কথাষাৰ বুজাই লিখা। 3

**17.** প্ৰসংগ-সংগতি দৰ্শাই ব্যাখ্যা কৰা : 5×2=10

(ক) ফাগুনৰ মলয়াত
    পৰাণ মিলাই দিয়া
জীৱন ফাগুন সোণ নাথাকে সদায়।

(খ) বন্যপ্ৰাণীসমূহৰ নিৰাপত্তাৰ বাবে সংৰক্ষিত বনাঞ্চলৰ অতি প্ৰয়োজন।

**18.** ‘জনমভূমি’ *নাইবা* ‘গড়গাঁও’ কবিতাটিৰ মূল ভাৱ লিখা। 6

**19.** ‘‘সময়ৰ টিকনিডাল হেনো আগফালে’’—বুজাই লিখা। 5

**20.** ভাৰতৰত্ন গোপীনাথ বৰদলৈদেৰৰ শিশুকাল সম্পৰ্কে চমুকৈ বুজাই লিখা। 4

**21.** তোমাৰ অঞ্চলৰ খোৱাপানীৰ সমস্যাৰ কথা জনাই বাতৰিকাকতৰ সম্পাদকৰ জৰিয়তে জনস্বাস্থ্য কাৰিকৰী বিভাগলৈ এখন চিঠি লিখা। 8



Downloaded From : http://cbseportal.com/ Courtesy : NIOS

Downloaded From : http://cbseportal.com/

**22.** এটা শব্দত প্ৰকাশ কৰা (যি কোনো **পাঁচটা**): 1×5=5

বনত ফুৰে যি; যিয়ে অকল নিজৰ স্বাৰ্থৰ কথা ভাবে; নিজ দেশত থকা লোক; যি জুই নুমাই গ'ল; যত মানুহৰ শুশ্ৰূষা কৰা হয়; আনৰ ভাল দেখিব নোৱৰা মানুহ; যিয়ে আনৰ উপকাৰ পাহৰি যায়।

**23.** বাক্য-ৰচনা কৰা (যি কোনো **পাঁচটা**): 1×5=5

কাৰৌ-কাকূতি; ছেগা চোৰোকাকৈ; আপুৰুগীয়া; ন-দি-ক; ভু-ৰখা; কঁকাল-ভাঙ; পানীত হাঁহ নচৰা।

**24.** সন্ধি ভাঙা আৰু পাতা (যি কোনো **পাঁচটা**): 1×5=5

যথাৰ্থ ; আত্মাহুতি ; নামকৰণ ; দুঃ + চৰিত্ৰ ; মিছা + অলীয়া ; সম্‌ + কাৰ।

**25.** বিপৰীতাৰ্থক শব্দ লিখা (যি কোনো **পাঁচটা**): 1×5=5

আকাশ ; পোহৰ ; জমা ; দখল ; জয় ; শত্ৰু।

**26.** ভাব-সম্প্ৰসাৰণ কৰা (যি কোনো **দুছোৱা**): 6×2=12

(ক) কথাত কটা যায়, কথাত বঁটা পায়।

(খ) মিছা কথাৰ ঠেং চুটি।

(গ) তৰিলে দেশ, মৰিলে স্বৰ্গ।

**27.** তলত দিয়া যি কোনো **এটা** বিষয় বাছি লৈ এখন ৰচনা লিখা: 10

তোমাৰ প্ৰিয় গ্ৰন্থ ; অসমৰ বাতৰিকাকত ; ভ্ৰমণ ; অসমৰ প্ৰাকৃতিক সৌন্দৰ্য।

★★★



Downloaded From : http://cbseportal.com/ Courtesy : NIOS